# দৈনিক অসম

ডিব্ৰুগড়, বুধবাৰ, ১৯ মাৰ্চ, ২০২৫ Dibrugarh, Wednesday, March 19, 2025


## কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ সংসদৰ আয়োজন

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৮ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ মন্ত্ৰণালয়ৰ উদ্যোগত আৰু গুৱাহাটিৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক কাৰ্যালয়ৰ সহযোগত ২০ আৰু ২১ মাৰ্চত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় যুৱ সংসদ। ডিব্ৰুগড়, চৰাইদেউ আৰু তিনিচুকীয়া জিলাক সামৰি যিসকল প্ৰতিনিধিয়ে বিধানসভাত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদত অংশ গ্ৰহণ কৰিব, সেইসকলৰ প্ৰাথমিক পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ মন্ত্ৰণালয়ে কানৈ মহাবিদ্যালয়ক দায়িত্ব অৰ্পণ কৰিছে। সৰ্বভাৰতীয়পৰ্যায়ত পোন প্ৰথমবাৰৰ বাবে বিকশিত ভাৰতৰ উদ্দেশ্য আগত ৰাখি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰ্যবেক্ষণত হ'বলগা এই প্ৰতিযোগিতাৰ দায়িত্বভাৰ কানৈ মহাবিদ্যালয়ে লাভ কৰাত মহাবিদ্যালয় পৰিয়ালৰ মাজত এটা আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া ২০ মাৰ্চৰ প্ৰথম দিনাৰ ৰাষ্ট্ৰীয় যুব সংসদৰ কাৰ্যসূচী উদ্বোধন কৰিব খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। যুৱ সমাজৰ মাজত নেতৃত্ব গুণ, তাৰ্কিক দক্ষতা বিকাশ আৰু ৰাজনৈতিক সজাগতা বৃদ্ধিৰ জৰিয়তে সংসদীয় কাৰ্য পদ্ধতিৰ বিষয়ে বাস্তৱ অভিজ্ঞতা প্ৰদান কৰিবলৈ লোৱা এই পদক্ষেপক গণতন্ত্ৰৰ এখন আখৰাস্থলী হিচাপে অভিহিত কৰা হয়। কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা সমাপন হোৱা বিভিন্ন সফল কাৰ্যসূচীৰ স্বীকৃতিস্বৰূপে আয়োজনৰ দায়িত্ব লাভ কৰা ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৫ কেৱল এই তিনিখন জিলাৰে নহয় উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হৈ উঠিব বুলি আশা কৰা হৈছে। অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমতে প্ৰচাৰিত হ'বলগীয়া এই ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৫-এ এটা নতুন মাত্ৰা প্ৰদান কৰিব। উল্লেখ্য যে জিলা পৰ্যায়ৰ এই সংসদত বিজয়ীসকলে অসম বিধান সভাত অংশগ্ৰহণ কৰি বিজয়ী হোৱাৰ পাছত ৰাষ্ট্ৰীয় সংসদত বক্তৃতা প্ৰদান কৰিব।